NEWZ NOW

সংখ্যা ১৭ | মঙলবাৰ, ১০ নৱেম্বৰ ২০২৬ | অসমৰ ডিজিটেল বাতৰি কাকত

অসম

আগন্তুক অসম বিধানসভা নিৰ্বাচনত মিছন ১২৬ৰ লক্ষ্য মুখ্যমন্ত্রীৰ!

আগন্তুক অসম বিধানসভা নিৰ্বাচনত ১২৬খন আসনতে জয়লাভ কৰাৰ লক্ষ্য প্ৰকাশ কৰিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই। বৰ্তমানৰ ১০২খন আসনৰ পৰা পৰৱৰ্তী নিৰ্বাচনত ১১০ আৰু তাৰ পাছত ১১৫খন আসন লাভৰ লক্ষ্যৰ কথাও উল্লেখ কৰে মুখ্যমন্ত্রীয়ে।



বিদিশা বৰঠাকুৰ | ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:৪৪

আগন্তুক অসম বিধানসভা নিৰ্বাচনক লৈ বিজেপি নেতৃত্বাধীন মিত্রজোঁটৰ লক্ষ্য ১২৬খন আসন। ক্রিকেটৰ উদাহৰণ দি নিজৰ নিৰ্বাচনী লক্ষ্যৰ কথা প্ৰকাশ কৰিলে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই। তেওঁৰ মতে, ক্রিকেট খেলপথাৰত এজন বেটছমেনে যেনেকৈ শতক অৰ্জনৰ লক্ষ্য লৈ খেলপথাৰত নামে, ঠিক তেনেকৈ তেওঁৰো লক্ষ্য ১২৬খন আসনতে জয়লাভ কৰা। মিছন ১২৬ৰ লক্ষ্য অথাৎ ১০২ৰ পৰা ১১০, তাৰ পাছত ১১৫খন আসনৰ লক্ষ্য বিজেপি মিত্রজোঁটৰ

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1781

দেশ

জুলাই-ছেপ্টেম্বৰত ভাৰতৰ নিবনুৱা হাৰ ৫.১%লৈ হ্রাস, গ্রামাঞ্চলত অধিক উন্নতি: মোদী চৰকাৰৰ দাবী



নতুন দিল্লী, ১০ নৱেম্বৰ: ২০২৬ চনৰ জুলাইৰ পৰা ছেপ্টেম্বৰলৈ দেশৰ ১৫ বছৰ আৰু তাতকৈ অধিক বয়সৰ লোকৰ নিবনুৱা হাৰ ৫.১ শতাংশলৈ হ্রাস পাইছে।
পঢ়ক: https://newznow.in/news/1852

আন্তঃৰাষ্ট্রীয়

বাংলাদেশলৈ উভতিলেই মৃত্যুদণ্ড কাৰ্যকৰী হ'ব শ্বেখ হাছিনাৰ! দাবী চৰকাৰী অধিবক্তাৰ



ঢাকা, ১০ নৱেম্বৰ: বাংলাদেশলৈ উভতি গ'লে প্রাক্তন প্রধানমন্ত্রী শ্বেখ হাছিনাৰ বিৰুদ্ধে মৃত্যুদণ্ডৰ ৰায় কাৰ্যকৰী কৰা হ'ব বুলি মন্তব্য কৰিছে দেশখনৰ আন্তঃৰ...
পঢ়ক: https://newznow.in/news/1883

ৰাজনীতি

"দিমাগী নক্সাল"ক নিৰ্মূল কৰাই পৰৱৰ্তী লক্ষ্য: কিৰেণ ৰিজিজু



নতুন দিল্লী, ১০ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীৰ 'দিমাগী নক্সাল' মন্তব্যক লৈ কংগ্রেছ নেতা ৰাহুল গান্ধীয়ে কৰা সমালোচনাৰ প্রত্যুত্তৰ দিছে কেন্দ্রী...
পঢ়ক: https://newznow.in/news/1794

দেশ

'ৰাষ্ট্রবিৰোধী' কোন ? - প্রধানমন্ত্রী মোদীক মুকলি বিতৰ্কৰ প্রত্যাহ্বান ৰাহুল গান্ধীৰ



নতুন দিল্লী, ১০ নৱেম্বৰ: প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে বিৰোধী ৰাজনৈতিক দল আৰু বিভিন্ন সংগঠনত 'মাওবাদী মতাদৰ্শৰ সমৰ্থক' সোমাই পৰা বুলি মন্তব্য কৰাৰ পি...
পঢ়ক: https://newznow.in/news/1772

ভিতৰৰ পাতত

অসম: দীপাৱলীত অসমত ১১২টা অগ্নিকাণ্ড, কা...

অসম: মুখ্যমন্ত্রী মাফিয়াৰ চৰ্দাৰ, ছিণ্ড...

ৰাজনীতি: ছোনিয়া গান্ধীৰ আত্মজীৱনী 'বিলঙিং'...

উত্তৰ-পূৰ্বাঞ্চল: ছিয়াং প্রকল্পবিৰোধী প্রতিবাদত গ্র...

অসম

দীপাৱলীত অসমত ১১২টা অগ্নিকাণ্ড, কামৰূপ মহানগৰত ২২টা

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, পুৱা ৯:৫০



গুৱাহাটী, ৮ নৱেম্বৰ: পোহৰৰ উৎসৱ দীপাৱলীৰ আনন্দ-উল্লাসৰ মাজতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সংঘটিত হ'ল ধাৰাবাহিক অগ্নিকাণ্ডৰ ঘটনা। দীপাৱলীৰ দিনটোত অসমত মুঠ ১১২টা অগ্নিকাণ্ড সংঘটিত হয়। ইয়াৰে ২২টা ঘটনা সংঘটিত হয় কামৰূপ মহানগৰ জিলাত। অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা বিভাগে এই তথ্য প্ৰকাশ কৰিছে।

বিভাগীয় সূত্ৰৰ তথ্য অনুসৰি, ৰাজ্যত সংঘটিত মুঠ অগ্নিকাণ্ডৰ ভিতৰত ৪৯টা ফটকা ফুটোৱাৰ ফলত সংঘটিত হৈছিল।

ইফালে, কামৰূপ মহানগৰ জিলাৰ যোৰাবাটৰ ১২ মাইল অঞ্চলত সংঘটিত এটা অগ্নিকাণ্ডত এজন লোক সামান্যভাৱে আহত হয়।

বাকী অংশ ৱেবছাইটত


সম্পূৰ্ণ খবৰ:

https://newznow.in/news/1626

ৰাজনীতি

ছোনিয়া গান্ধীৰ আত্মজীৱনী 'বিলঙিং' প্ৰকাশ

শাহ আলম | ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:২৫



নতুন দিল্লী, ১০ নৱেম্বৰ: কংগ্ৰেছৰ জ্যেষ্ঠ নেত্ৰী ছোনিয়া গান্ধীৰ বহু চৰ্চিত আত্মজীৱনী 'বিলঙিং: এ জাৰ্নি অৱ লাভ' প্ৰকাশ পাইছে।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:

https://newznow.in/news/1767

অসম

মুখ্যমন্ত্ৰী মাফিয়াৰ চৰ্দাৰ, ছিণ্ডিকেট-মাফিয়াৰ দ্বাৰাহে পৰিচালিত হয় আৰক্ষী-প্ৰশাসন : বিধায়ক অখিল গগৈ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:১৬



গুৱাহাটী, ১০ নৱেম্বৰ: অসমৰ আৰক্ষী-প্ৰশাসন আইনৰ ভিত্তিত নহয়, ছিণ্ডিকেট আৰু মাফিয়া চক্ৰৰ দ্বাৰাহে পৰিচালিত হৈছে বুলি অভিযোগ উত্থাপন কৰিছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। দিছপুৰৰ বিধায়ক আবাসত মঙলবাৰে অনুষ্ঠিত সংবাদমেলত তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক 'মাফিয়াৰ চৰ্দাৰ' বুলি আখ্যা দিয়ে।

বিধায়কগৰাকীয়ে অভিযোগ কৰে যে মেঘালয়ৰ পৰা অহা কয়লাভৰ্তি ট্ৰাক শিৱসাগৰ সমষ্টিৰ জাঁজী নৈৰ সমীপৰ জাঁজী-হাঁহচৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথত ৰৈ থকা তেওঁ প্ৰত্যক্ষ কৰিছিল।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:

https://newznow.in/news/1822

উত্তৰ-পূৰ্বাঞ্চল

ছিয়াং প্ৰকল্পবিৰোধী প্ৰতিবাদত গ্ৰেপ্তাৰ ১৮ শিক্ষাৰ্থীৰ মুক্তিৰ দাবী

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:২২



পাছিঘাট, ১০ নৱেম্বৰ: অৰুণাচল প্ৰদেশৰ প্ৰস্তাৱিত ছিয়াং উচ্চ বহুমুখী প্ৰকল্পবিৰোধী প্ৰতিবাদৰ সময়ত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৮গৰাকী শিক্ষাৰ্থীৰ শীঘ্ৰে মুক্তিৰ দাবী জনাইছে মহাবিদ্যালয়খনৰ ছাত্ৰ একতাই।

বাকী অংশ ৱেবছাইটত

সম্পূৰ্ণ খবৰ:

https://newznow.in/news/1856

ৰাজনীতি

টিপু চুলতানক লৈ বিজেপিয়ে ৰাজনীতি কৰাৰ অভিযোগ প্ৰিয়ংক খাৰ্গেৰ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:২১



মঙলবাৰে প্ৰিয়ংক খাৰ্গেই টিপু সুলতানক লৈ বিজেপিয়ে ৰাজনীতি কৰাৰ অভিযোগ তোলে আৰু দলটোক ইতিহাস ভালদৰে পঢ়ি ল'বলৈ কয়।

খাৰ্গেৰ মতে, টিপু সুলতানে চাৰিখন এংলো-মহীশূৰ যুদ্ধত যুঁজিছিল। ৰাজ্যখনলৈ তেওঁৰ অৱদান কোনো প্ৰকাৰে নুই কৰিব নোৱাৰি বুলি তেওঁ কয়।

আৰ এছ এছে স্বাধীনতা সংগ্ৰামত অংশ লোৱা নাছিল বুলিও খাৰ্গেই অভিযোগ কৰে। অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলন, দাণ্ডী যাত্ৰা বা গোলমেজ বৈঠকতো সংগঠনটো নাছিল বুলি তেওঁ দাবী কৰে।


বিজেপিয়ে টিপু জয়ন্তীৰ বিৰোধিতা কৰি আহিছে বুলি উল্লেখ কৰি খাৰ্গেই কয়, বি এছ য়েদিয়ুৰাপ্পা মুখ্যমন্ত্ৰী হৈ থকা সময়ত...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1827

ৰাজনীতি

ৰাহুল গান্ধী নহয় প্ৰথম সন্তান; ছোনীয়া গান্ধীয়ে আত্মজীৱনীত প্ৰকাশ কৰিলে প্ৰথম সন্তানৰ অপ্ৰকাশিত কাহিনী

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:০০



নতুন দিল্লী, ১০ নৱেম্বৰ: কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধীৰ নতুন আত্মজীৱনী 'বিলংগিং: এ জাৰ্নি অৱ লাভ'ত গান্ধী পৰিয়ালৰ এক ব্যক্তিগত আৰু বেদনাদায়ক অধ্যায়ৰ কথা প্ৰকাশ পাইছে। কিতাপখনত তেওঁ লিখিছে যে ৰাহুল গান্ধীৰ জন্মৰ পূৰ্বে তেওঁৰ এটি পুত্ৰ সন্তান জন্মৰ এদিন পাছতে মৃত্যু হৈছিল।

ছোনীয়া গান্ধীৰ বৰ্ণনা অনুসৰি, ১৯৬৯ চনৰ ১৮ জানুৱাৰীত নিৰ্ধাৰিত সময়ৰ প্ৰায় দুমাহ পূৰ্বে তেওঁৰ প্ৰথম সন্তানটিৰ জন্ম হৈছিল। স্বাভাৱিক প্ৰসৱেৰে জন্ম লোৱা শিশুটিক ইনকিউবেটৰত ৰখা হৈছিল আৰু চিকিৎসকে শিশুটিৰ জীয়াই থকাৰ সম্ভাৱনাক লৈ আশংকা প্ৰকাশ কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1814

অসম

টেঙাখাতৰ অইল টেংক ফাৰ্মৰ অগ্নিকাণ্ডত মৃত ৬জন

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৮:০৪



ডিব্ৰুগড়, ১০ নৱেম্বৰ: ডিব্ৰুগড় জিলাৰ টেঙাখাততে অইল ইণ্ডিয়া লিমিটেডৰ ইণ্টাৰমিডিয়েট টেংক ফাৰ্ম প্ৰকল্পত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত মৃতকৰ সংখ্যা ৬জনলৈ বৃদ্ধি পাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1890

আন্তঃৰাষ্ট্ৰীয়

ঢাকাৰ দৰিদ্ৰ অঞ্চলসমূহৰ ভিডিঅ' দিল্লীৰ বুলি অপ-প্ৰচাৰক 'দুৰ্ভাগ্যজনক' আখ্যা ভাৰতৰ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৫:১২



নতুন দিল্লী, ১০ নৱেম্বৰ: বাংলাদেশৰ ৰাজধানী ঢাকাৰ দৰিদ্ৰ অঞ্চলসমূহৰ ভিডিঅ' প্ৰস্তুত কৰি সেইবোৰ নতুন দিল্লীৰ দৃশ্য বুলি চীনা সামাজিক মাধ্যমত প্ৰচাৰ কৰাৰ অভিযোগক 'দুৰ্ভাগ্যজনক' আখ্যা দিছে ভাৰতে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1786

আন্তঃৰাষ্ট্ৰীয়

১০০ বছৰৰ পিছত অক্সফৰ্ডৰ পৰা নাগালেণ্ডলৈ উভতিল ৩৯জন নাগাৰ পূৰ্বপুৰুষৰ দেহাৱশেষ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:১১



কোহিমা, ১০ নৱেম্বৰ: এশ বছৰতকৈও অধিক সময় ধৰি ব্ৰিটেইনৰ অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ Pitt Rivers Museum-ত সংৰক্ষিত হৈ থকা নগা জনগোষ্ঠীৰ ৩৯টা পূৰ্বপুৰুষৰ দেহাৱশেষ অৱশেষত স্বদেশলৈ উভতাই অনা হৈছে। এক ঐতিহাসিক পদক্ষেপৰ অংশ হিচাপে সোমবাৰে সংগ্ৰহালয়টোত অনুষ্ঠিত এক অনুষ্ঠানত দেহাৱশেষসমূহ নগা প্ৰতিনিধিসকলৰ হাতত আনুষ্ঠানিকভাৱে অৰ্পণ কৰা হয়।

Forum for Naga Reconciliation (FNR) আৰু Naga Tribe Hoho-ৰ প্ৰতিনিধিসকলে এই দেহাৱশেষ গ্ৰহণ কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1755

অসম

কলেজৰ নামভর্তি মাচুল ৰেহাইৰ বাবে ₹108 কোটি অনুমোদন

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৫৯



মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শর্মাই মঙলবাৰে জনাইছে যে, কলেজত নামভর্তি মাচুল ৰেহাই দিয়াৰ বাবে উচ্চশিক্ষা প্ৰতিষ্ঠানসমূহক ₹108 কোটি পুঁজি যোগান দিয়াৰ সিদ্ধান্ত কেবিনেটে লৈছে। তেওঁৰ মতে, নির্দিষ্ট উপার্জনৰ সীমাৰ ভিতৰত থকা ছাত্ৰ-ছাত্ৰীয়ে কলেজত নামভর্তিৰ সময়ত মাচুল দিব নালাগে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1892

অসম

সোনাইৰূপাই অভয়াৰণ্যত অস্ত্ৰসহ পাঁচ চোৰাং চিকাৰী গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৫৮



শোণিতপুৰ: সোনাইৰূপাই অভয়াৰণ্যত বন বিভাগে অভিযান চলাই অস্ত্ৰসহ পাঁচজন চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰিছে।

কালামটি বনাঞ্চলিক বিষয়াৰ নেতৃত্বত বনৰক্ষীৰ এটা দলে অভয়াৰণ্যখনৰ গেলগেলি নামৰ দুর্গম অঞ্চলত অভিযান চলাই পাঁচজনক গ্ৰেপ্তাৰ কৰে। ধৃত লোককেইজনে দীর্ঘদিন ধৰি বনৰীয়া জীৱ-জন্তু চিকাৰ কৰি আহিছিল বুলি বন বিভাগে জনাইছে।

ধৃত চোৰাং চিকাৰীকেইজনৰ পৰা এটা হাতেসজা খাজা বন্দুক আৰু চোকা অস্ত্ৰ জব্দ কৰা হৈছে। জব্দ কৰা বন্দুকটো হাপন চৰেণ নামৰ লোকজনৰ বুলি জানিব পৰা গৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1886

অসম

মিচিং-সোণোৱাল কছাৰী পৰিষদ নির্বাচনত আজি মনোনয়ন দাখিলৰ অন্তিম দিন

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:২৯



ধেমাজি: মিচিং আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন। অন্তিম দিনটোত ধেমাজি জিলা সংহত আয়ুক্তৰ কার্যালয়ত প্ৰার্থিত্বপ্ৰত্যাশী আৰু সমর্থকসকলৰ ব্যাপক ভিৰ পৰিলক্ষিত হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1864

অসম

ৰৰপেটাত ৯৯ হাজাৰ টকাৰ চাইবাৰ প্ৰৱঞ্চনাৰ অভিযোগত তিনিজন গ্ৰেপ্তাৰ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:২২



ৰৰপেটা, ১০ নৱেম্বৰ: এজন লোকৰ বেংক একাউণ্টৰ পৰা ভুৱা অনলাইন লেনদেনৰ জৰিয়তে ৯৯ হাজাৰ টকা উলিওৱাৰ অভিযোগত ৰৰপেটা আৰক্ষীয়ে তিনিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

ধৃত লোককেইজনক হামিদুল খান, মজিদুৰ ৰহমান আৰু মুজাম্মিল বুলি চিনাক্ত কৰা হৈছে। আটাইকেইজন ৰৰপেটা আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ বাসিন্দা।

ৰৰপেটাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) সমীৰণ বৈশ্যই জনোৱা মতে, দিগন্ত দাস নামৰ লোকজনে তেওঁৰ বেংক একাউণ্টৰ পৰা অনুমতি অবিহনে ৯৯ হাজাৰ টকা উলিওৱা হোৱা বুলি ই-মেইলযোগে আৰক্ষীৰ ওচৰত অভিযোগ দাখিল কৰিছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1859

অসম

'৩ হাজাৰ টকাত মোক সন্তানটো বিক্ৰী কৰা নাই, লালন-পালন কৰিবলৈহে দিছে'!

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:৩২



'মোক সন্তানটো বিক্ৰী কৰা নাই, লালন-পালন কৰিবলৈহে দিছে'! ৩ হাজাৰ টকাত নৱজাতক বিক্ৰীৰ অভিযোগৰ মাজতে মহিলাৰ দাবী ।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1836

অসম

পুৰবী ডেইৰীৰ পৰা বিষাক্ত গেছ নিৰ্গমনৰ অভিযোগ, তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৪১



গুৱাহাটী: মহানগৰীৰ পাঞ্জাবাৰীত অৱস্থিত পুৰবী ডেইৰীৰ পৰা বিষাক্ত গেছ নিৰ্গমন হোৱাৰ অভিযোগ উঠিছে। শিলগ্ৰাম আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আশে-পাশে থকা অঞ্চলৰ একাংশ বাসিন্দাই দুৰ্গন্ধ আৰু অস্বস্তিৰ সন্মুখীন হোৱাৰ অভিযোগ কৰিছে।

বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে তদন্তৰ নিৰ্দেশ দিছে।

মঙলবাৰে কেবিনেট বৈঠকৰ পাছত বিষয়টো উত্থাপন হোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত পূৰ্বে অৱগত নাছিল বুলি জানায়।

প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক বিষয়টো পৰীক্ষা কৰিবলৈ কোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। সেইদিনাই পৰিষদক বিষয়টো সন্দৰ্ভত খবৰ ল'বলৈ নিৰ্দেশ দিয়াৰ কথাও মুখ্যমন্ত্ৰীগৰাকীয়ে জনায়।

উল্লেখ্য যে, পাঞ্জাবাৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকলে দুৰ্গন্ধ আৰু সম্ভাব্য গেছ নিৰ্গমনৰ ঘটনাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।

সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1878

অসম

ছিণ্ডিকেটৰ ধনৰ ১০০ কোটি টকাৰে বানাক্রান্তক সহায় কৰিব পাৰি: অখিল গগৈ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:০৫



গুৱাহাটী: শিৱসাগৰৰ বানাক্রান্ত লোকসকলৰ বাবে আর্থিক সাহায্যৰ ধন মুকলি নকৰাৰ অভিযোগ উত্থাপন কৰি মঙলবাৰে ৰাজ্য চৰকাৰক তীব্র সমালোচনা কৰে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে।

গগৈয়ে অভিযোগ কৰে যে, ৰাজ্যত অবৈধ কয়লা, গৰু আৰু চুপাৰী ছিণ্ডিকেট মুক্তভাৱে চলি আছে। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই এনে ছিণ্ডিকেট চলিবলৈ দিছে বুলি অভিযোগ কৰি তেওঁ কয় যে অসম এখন 'মাফিয়া ৰাজ্য'ত পৰিণত হৈছে।

তেওঁ কয়, ছিণ্ডিকেটৰ ধনৰ পৰা প্রায় ১০০ কোটি টকা পালে নিজৰ সমষ্টিৰ বানাক্রান্ত লোকসকলৰ মাজত সেই ধন বিতৰণ কৰিব পাৰিলেহেঁতেন।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1819

অসম

সোণাপুৰ জিলা চিকিৎসালয়ত মহিলাৰ মৃত্যু, চিকিৎসকৰ গাফিলতিৰ অভিযোগ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৫:৫১



সোণাপুৰ: কামৰূপ জিলাৰ সোণাপুৰ জিলা চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত গোলাপী ডেকা নামৰ এগৰাকী মহিলাৰ মৃত্যুক কেন্দ্র কৰি উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1800

অসম

'ৰজাৰ দিনৰ টেকেলা'ৰ সৈতে জয়ন্ত মল্ল বৰুৱাক তুলনা অখিল গগৈৰ

শাহ্ আলম | ১০ নৱেম্বৰ ২০২৬, আবেলি ৫:২০



গুৱাহাটী: বিত্তমন্ত্রী জয়ন্ত মল্ল বৰুৱাক তীব্র ভাষাৰে সমালোচনা কৰিছে শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। অবৈধ ট্রাকৰ পৰা ধন সংগ্রহৰ অভিযোগ উত্থাপন কৰি মন্ত্রীগৰাকীক 'ৰজাৰ দিনৰ টেকেলা'ৰ সৈতে তুলনা কৰে তেওঁ।

"জয়ন্ত মল্ল বিত্তমন্ত্রী মানে, অবৈধ ট্রাক ধৰি পইচা আনি দিয়া মন্ত্রী। ৰজাৰ দিনৰ টেকেলাৰ নিচিনা বিত্তমন্ত্রী আমাৰ জয়ন্ত মল্ল।"- অখিল গগৈ।

ইফালে, ৰাজ্যৰ বিভিন্ন সমস্যাক লৈ অকলেই যুঁজিবলগীয়া হোৱা বুলি আক্ষেপ প্রকাশ কৰে বিধায়কগৰাকীয়ে। বিধায়ক হোৱাৰ সিদ্ধান্তক লৈও এতিয়া চিন্তা কৰিবলৈ বাধ্য হৈছে বুলি তেওঁ কয়।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1790

দেশ

আইচিএছই-আইএছচি ২০২৭ৰ পৰীক্ষাৰ সূচী ঘোষণা

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:২৩



গুৱাহাটী, ১০ নৱেম্বৰ: ভাৰতীয় স্কুল চার্টিফিকেট পৰীক্ষা পৰিষদে চমুকৈ চিআইএছচিইয়ে ২০২৭ চনৰ ইণ্ডিয়ান চার্টিফিকেট অৱ ছেকেণ্ডাৰী এডুকেশ্যন (আইচিএছই) দশম শ্রেণী আৰু ইণ্ডিয়ান স্কুল চার্টিফিকেট (আইএছচি) দ্বাদশ শ্রেণীৰ ব'র্ড পৰীক্ষাৰ সূচী ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1764

অসম

আয়ুষ্মান অসমলৈ ২০০ কোটি, সমগ্ৰ শিক্ষা অভিযানৰ কর্মচাৰীৰ মৃত্যুকালীন সাহায্য ৭.৫০ লাখ টকালৈ বৃদ্ধি

শ্বাহ আলম | ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৩৭



গুৱাহাটী, ১০ নৱেম্বৰ: মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেট বৈঠকত আয়ুষ্মান অসম আঁচনিৰ বাবে ২০০ কোটি টকা অনুমোদনকে ধৰি কেইবাটাও গুৰুত্বপূর্ণ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।


কেবিনেট বৈঠকৰ পাছত মুখ্যমন্ত্রীয়ে জনায় যে আয়ুষ্মান ভাৰত আঁচনিৰ অধীনত প্ৰায় ৩০ লাখ পৰিয়ালে কেন্দ্রীয় চৰকাৰৰ পৰা সুবিধা লাভ কৰে। আন প্ৰায় ৪০ লাখ পৰিয়ালৰ বাবে ৰাজ্য চৰকাৰে ব্যয় বহন কৰে। এই উদ্দেশ্যে ৰাজ্য চৰকাৰৰ অংশ হিচাপে ২০০ কোটি টকা কেবিনেটে অনুমোদন জনাইছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1870

অসম

চুটি কাপোৰ পিন্ধি থানালৈ যোৱাৰ বাবেই খঙ উঠিল আৰক্ষীৰ, FIR নল'লে আৰক্ষীয়ে

বিদিশা বৰঠাকুৰ | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২০



'আমাক ইজ্জত লাগে, ইয়াৰ পৰা যাওঁক। ২৫-২৬ বছৰ হৈছে, এইবোৰ কাপোৰ পিন্ধে নেকি? গুৱাহাটীত এইবোৰ কাপোৰেই পিন্ধে নেকি?' গোৱালপাৰা আৰক্ষী থানাত সৃষ্টি হৈছে উত্তপ্ত পৰিস্থিতিৰ। চুটি কাপোৰ পিন্ধি থানালৈ অহাৰ বাবেই এগৰাকী যুৱতীৰ এজাহাৰ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন হৈছে আৰক্ষীৰ বিৰুদ্ধে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1704

অসম

শ্ৰীভূমিত ৫০গৰাকী মহিলা শিপিনীৰ বাবে শীতলপাট জীৱিকা উদ্যোগ

শ্বাহ আলম | ১০ নৱেম্বৰ ২০২৬, নিশা ৮:১৪



শ্ৰীভূমি, ১০ নৱেম্বৰ: প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি চলি অহা শীতলপাট বোৱা পৰম্পৰাক অর্থনৈতিকভাৱে অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জ-ৰতনপুৰ অঞ্চলত বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে পাটিয়াৰা সম্প্রদায়ৰ ৫০গৰাকী মহিলা শিপিনীৰ জীৱিকাৰ উন্নয়ন, ডিজিটেল সেৱাৰ সুবিধা আৰু চৰকাৰী আঁচনিৰ সৈতে সংযোগ স্থাপনৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে।

এনইডিএফআইৰ চিএছআৰ সহযোগিতাত ইণ্ডিয়ান আৱাজ ফাউণ্ডেশ্যনে ছমহীয়া কার্যসূচী হিচাপে 'শীতলপাট শিল্পী জীৱিকা আৰু ডিজিটেল সৱলীকৰণ উদ্যোগ' ৰূপায়ণ কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1898

অসম

মাকুমত দুটাকৈ পথ দুর্ঘটনা, এজনৰ মৃত্যু,চাৰিজন আহত ।

ৰাতুল ডেকা | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:২৮



মাকুমত দুটাকৈ পথ দুর্ঘটনা, এজনৰ মৃত্যু,চাৰিজন আহত ।

মাকুম,১০ নৱেম্বৰ: আজি মাকুম থানাৰ অন্তর্গত মাকুম বাইপাছৰ চান্দমাৰি তিনিআলিত সংঘটিত হয় এক শোকাৱহ পথ দুর্ঘটনা। থিতাতে নিহত এজন লোক। তাৰ পাছতে পুনৰ মাকুমৰ বেতজান বাইপাছত সংঘটিত হয় আন এক পথ দুর্ঘটনা।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1826

অসম

তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পূৰ্বে নতুন ৰাজনৈতিক মঞ্চ

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:২৬



তিৱা স্বায়ত্তশাসিত পৰিষদৰ আগন্তুক নিৰ্বাচনৰ পূৰ্বে 'তিৱা জাতীয় মঞ্চ' নামেৰে নতুন ৰাজনৈতিক মঞ্চ গঠন কৰা হৈছে। জিলা পুথিভঁৰালত অনুষ্ঠিত এক অধিৱেশনত ২৫ জনীয়া মঞ্চখন গঠনৰ সিদ্ধান্ত লোৱা হয়।

মঞ্চখনৰ সভাপতি হিচাপে শুভেন বৰদলৈক দায়িত্ব দিয়া হৈছে। সদৌ তিৱা ছাত্ৰ সন্থাৰ উপদেষ্টা দীপক আমচঙক সাধাৰণ সম্পাদক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে।

নতুন মঞ্চখনে আগন্তুক তিৱা স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। নিৰ্বাচনৰ পূৰ্বে ১১৩খন গাঁও আৰু নতুনকৈ অধিসূচিত ১৯খন গাঁও অন্তৰ্ভুক্ত কৰি সমষ্টি পুনৰ নিৰ্ধাৰণৰ দাবী জনাইছে মঞ্চখনে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1831

উত্তৰ-পূৰ্বাঞ্চল

ভালুকপুঙত অসমৰ যুৱকক প্ৰহাৰৰ অভিযোগ, উত্তেজনা

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৪:১৫



বালিপৰা, ১০ নৱেম্বৰ: অসম-অৰুণাচল সীমান্তৱৰ্তী তথা বালিপৰাৰ পৰা ৩৮ কিলোমিটাৰ দূৰৈৰ ভালুকপুঙত অসমৰ এজন স্থানীয় যুৱকক কেইজনমান অৰুণাচলী লোকে প্ৰহাৰ কৰাৰ অভিযোগক কেন্দ্ৰ কৰি তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1760

উত্তৰ-পূৰ্বাঞ্চল

চিয়াং মেগা বান্ধক লৈ ৰিজিজুৰ নীৰৱতাত কংগ্ৰেছৰ প্ৰশ্ন

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৫৬



অৰুণাচল প্ৰদেশ কংগ্ৰেছে চিয়াং নদীৰ প্ৰস্তাৱিত চিয়াং উচ্চ বহুমুখী প্ৰকল্পক লৈ কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৰ নীৰৱতাক প্ৰশ্ন কৰিছে। দলটোৱে কয় যে, এই জলবিদ্যুৎ প্ৰকল্পক কেন্দ্ৰ কৰি চিয়াং উপত্যকাৰ থলুৱা জনসমাজৰ মাজত ব্যাপক উদ্বেগৰ সৃষ্টি হৈছে।

কংগ্ৰেছৰ দাবী, প্ৰকল্পটোৰ ফলত ২৭খনৰো অধিক গাঁও আৰু আদি জনগোষ্ঠীৰ ১.৫ লাখৰো অধিক লোক উচ্ছেদ, পৈতৃক ভূমি জলমগ্ন হোৱা, সাংস্কৃতিক পৰিচয় হেৰুওৱা আৰু পৰিৱেশগত সমস্যাৰ সন্মুখীন হ'ব পাৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1723

অসম

ঋণ আদায়ৰ নামত অশ্লীল ছবি বিয়পোৱাৰ ভাবুকি! হায়দৰাবাদত আৰক্ষী জোৱানৰ আত্মহত্যা

শাহ আলম | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৪৮




হায়দৰাবাদ, ১০ নৱেম্বৰ: ঋণ আদায়ৰ নামত ঋণ এপ পৰিচালনাৰ সৈতে জড়িত লোকৰ মানসিক হাৰাশাস্তি আৰু অশ্লীল ছবি বিয়পোৱাৰ ভাবুকিৰ পিছত হায়দৰাবাদত এগৰাকী ৩১ বছৰীয়া আৰক্ষী কনিষ্টবলৰ আত্মহত্যাৰ ঘটনা সংঘটিত হৈছে। মৃত কনিষ্টবলগৰাকীৰ নাম মুদাৱাথ শ্ৰীনু। সোমবাৰে পুৱা নিজৰ বাসগৃহত তেওঁৰ মৃত্যু হয়।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1743

দেশ

ধর্ষণ, ধন দাবীৰ অভিযোগত তৃণমূল বিধায়ক পৰেশ ৰাম দাস গ্ৰেপ্তাৰ

শ্বাহ আলম | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩৮



কলকাতা, ১০ নৱেম্বৰ: ধর্ষণ, ধন দাবী আৰু নির্বাচনোত্তৰ হিংসাৰ সৈতে জড়িত একাধিক গোচৰৰ সন্দর্ভত পশ্চিমবংগৰ শাসকীয় তৃণমূল কংগ্রেছৰ বিধায়ক পৰেশ ৰাম দাসক গ্রেপ্তাৰ কৰিছে আৰক্ষীয়ে। সোমবাৰে কলকাতাৰ নেতাজী সুভাষচন্দ্ৰ বসু আন্তঃৰাষ্ট্রীয় বিমানবন্দৰৰ পৰা তেওঁক গ্রেপ্তাৰ কৰা হয়।

আৰক্ষীৰ মতে, মুম্বাই অভিমুখী বিমানত উঠিবলৈ লোৱাৰ সময়তে বিধায়কগৰাকীক আটক কৰা হয়। পৰেশ ৰাম দাস দক্ষিণ ২৪ পৰগনা জিলাৰ ক্যানিং পশ্চিম সমষ্টিৰ বিধায়ক।

বৰুইপুৰ জিলা আৰক্ষীৰ এটা বিশেষ দলে বিধায়কগৰাকীৰ অৱস্থান সম্পর্কে তথ্য লাভ কৰাৰ পাছত বিধাননগৰ আৰক্ষ...

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1739

অসম

লাহেশ্বৰী চাপৰিত ২,৫০০ বিঘা মুকলি ভূমি পৰিদর্শন মুখ্যমন্ত্রীৰ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৪



হাজো-শুৱালকুছি সমষ্টিৰ লাহেশ্বৰী চাপৰিত ব্রহ্মপুত্রই গতিপথ সলনি কৰাৰ ফলত মুকলি হোৱা প্রায় ২,৫০০ বিঘা ভূমি পৰিদর্শন কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1732

অসম

মিচিং স্বায়ত্তশাসিত পৰিষদ নির্বাচনৰ মনোনয়ন দাখিল অন্তিম দিনা একাধিক প্রার্থীৰ মনোনয়ন দাখিল

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১৯



ঢকুৱাখনা: অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদৰ ৪০টা সমষ্টিৰ নির্বাচনক কেন্দ্র কৰি ঢকুৱাখনা মহকুমাত তৎপৰতা বৃদ্ধি পাইছে। মনোনয়ন পত্র দাখিলৰ অন্তিম দিনটোত ঢকুৱাখনা বিধানসভা সমষ্টিৰ অন্তর্গত বিভিন্ন সমষ্টিৰ প্রার্থীয়ে বৃহৎ সমদল আৰু দলীয় কর্মী-সমর্থকৰ উপস্থিতিত মনোনয়ন পত্র দাখিল কৰে।

অৱনৰী সমষ্টিৰ পৰা ভাৰতীয় জনতা পার্টিৰ প্রার্থী ডাঃ ভূপেন কামানে মনোনয়ন পত্র দাখিল কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1728

অসম

তেজপুৰত ধন দাবী আৰু উৎকোচ লোৱাৰ অভিযোগত দুই হোমগার্ড গ্রেপ্তাৰ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:১০



তেজপুৰ, ১০ নৱেম্বৰ: তেজপুৰত এজন যুৱকৰ পৰা ধন দাবী কৰি উৎকোচ লোৱাৰ অভিযোগত আৰক্ষীয়ে দুজন হোমগার্ডক গ্রেপ্তাৰ কৰিছে।

গ্রেপ্তাৰ হোৱা দুজন হ'ল শোণিতপুৰ জিলাৰ চাৰিদুৱাৰৰ ৰিংকু বৰা আৰু তেজপুৰৰ সপুৱাচুবুৰীৰ কলিতা গাঁৱৰ শিৱপ্রসাদ বৰা।

বাকী অংশ ৱেবছাইটত
সম্পূর্ণ খবৰ:
https://newznow.in/news/1719

অসম

টীয়কত গঁড় চিকাৰীৰ সন্দেহত চাৰিজনক গ্ৰেপ্তাৰ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:০২



গুৱাহাটী, ১০ নৱেম্বৰ: যোৰহাট জিলাৰ টীয়কৰ হাতীশাল অঞ্চলত বিশেষ অভিযান চলাই বন বিভাগে গঁড় চিকাৰীৰ সন্দেহত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে।

তথ্যৰ ভিত্তিত বন বিভাগৰ এটা দলে সন্দেহজনক লোককেইজনক বাৰলুইত অৱণ্যলৈ অনুসৰণ কৰি অভিযান চলায়।

অভিযানৰ সময়ত এটা গঁড়ে আক্ৰমণ কৰাত লোককেইজনৰ এজন আহত হোৱা বুলি জানিব পৰা গৈছে।অভিযানত সহায়ৰ বাবে টীয়ক আৰু লাহদৈগড় আৰক্ষী থানাৰ দল ঘটনাস্থলীত উপস্থিত হৈছে।

বন বিভাগৰ বিষয়াসকলে জনোৱা অনুসৰি, গ্ৰেপ্তাৰ হোৱা লোককেইজন গহপুৰ, নাৰায়ণপুৰ আৰু জাজিমুখৰ বাসিন্দা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1646

অসম

চামগুৰিত ৩ হাজাৰ টকাত সদ্যোজাত সন্তান বিক্ৰী মাতৃৰ !

বিদিশা বৰঠাকুৰ | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩০



নগাঁও জিলাৰ চামগুৰিত পোহৰলৈ আহিছে এক চাঞ্চল্যকৰ ঘটনা। ৩ হাজাৰ টকাত সদ্যোজাত সন্তান বিক্ৰীৰ মাতৃৰ । এগৰাকী অবিবাহিতা মাতৃয়ে সদ্যোজাত সন্তানক মাত্ৰ ৩ হাজাৰ টকাৰ বিনিময়ত বিক্ৰী কৰাৰ অভিযোগ উত্থাপন হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1707

অসম

ডিমা হাছাওত শিক্ষা বিভাগৰ খালী পদ পূৰণৰ দাবী সমৰজিৎ হাফলংবাৰৰ

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ১:২০



ডিমা হাছাওৰ শিক্ষা বিভাগৰ গুৰুত্বপূৰ্ণ পদসমূহত পূৰ্ণকালীন বিষয়া নিযুক্তিৰ বাবে ৰাজ্য চৰকাৰক হস্তক্ষেপৰ আহ্বান জনাইছে হাফলঙৰ প্ৰাক্তন বিধায়ক সমৰজিৎ হাফলংবাৰে। কাছাৰত কৰ্মৰত বিদ্যালয় পৰিদৰ্শক মিথুন জোহৰিক তৎক্ষণাৎ অব্যাহতি দি ডিমা হাছাও জিলাত দায়িত্ব গ্ৰহণৰ সুযোগ দিয়াৰো দাবী জনাইছে তেওঁ।

৯ নৱেম্বৰত প্ৰকাশ কৰা এক বিবৃতিত হাফলংবাৰে কয় যে, ২০২৬ চনৰ মে' মাহৰ পৰা জিলাখনৰ শিক্ষা বিভাগৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদত পূৰ্ণকালীন বিষয়া নাই।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1703

অসম

গুৱাহাটী উচ্চ ন্যায়ালয়তো জামিন নাপালে নন্দেশ্বৰ বৰাই

বিদিশা বৰঠাকুৰ | ১০ নৱেম্বৰ ২০২৬, পুৱা ১১:৪২




জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত তেওঁৰ ব্যক্তিগত দেহৰক্ষী নন্দেশ্বৰ বৰাৰ জামিন আবেদনৰ শুনানি আজি, ১০ নৱেম্বৰ, ২০২৬ তাৰিখে অনুষ্ঠিত হয়। গুৱাহাটীৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত হোৱা এই শুনানিতো জামিন লাভ নকৰিলে নন্দেশ্বৰ বৰাই। জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল জুবিন গাৰ্গৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী (PSO) বৰা।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1691

দেশ

দিল্লী-এনচিআৰত বায়ু প্ৰদূষণৰ মুখ্য কাৰণ যানবাহনৰ নিৰ্গমন: সৰ্বোচ্চ ন্যায়ালয়

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, পুৱা ১১:১৯



নতুন দিল্লী, ৬ নৱেম্বৰ: দিল্লী-ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত বায়ু প্ৰদূষণ বৃদ্ধিৰ অন্যতম মুখ্য কাৰণ হৈছে যানবাহনৰ পৰা নিৰ্গত ধোঁৱা। এই মন্তব্য কৰিছে উচ্চতম ন্যায়ালয়ে। দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত অবিৰত যানজট, বিপুল সংখ্যক বাহনৰ চলাচল আৰু নিৰ্গমন নিয়ন্ত্ৰণৰ দুৰ্বল ব্যৱস্থাক লৈ উদ্বেগ প্ৰকাশ কৰি ন্যায়ালয়ে তাৎক্ষণিক, মধ্যম্যাদী আৰু দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে।

মুখ্য ন্যায়াধীশ সূর্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ন্যায়াধীশ ভি মোহনাৰ বিচাৰপীঠে বায়ু প্ৰদূষণ নিয়ন্ত্ৰণৰ বিধিবদ্ধ ব্যৱস্থাৰ সৈতে জড়িত স্বতঃপ্ৰণোদিত গোচৰটোৰ শুনানি গ্ৰহ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1635

অসম

ৰূপহীহাটত ভূমি-বিবাদক লৈ গুলীচালনাৰ অভিযোগ

ৰাহিদুল ইছলাম | ১০ নৱেম্বৰ ২০২৬, পুৱা ১০:২১




ৰূপহীহাট, ১০ নৱেম্বৰ: ৰূপহীহাটৰ ১নং বৰঘুলীত নিশা ভূমি-বিবাদক কেন্দ্ৰ কৰি একে পৰিয়ালৰ দুটা ফৈদৰ মাজত গুলীচালনাৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। অভিযোগ অনুসৰি, বিবাদমান ভূমিখন দখল কৰিবলৈ উফাইদুল ইছলামৰ পৰিয়ালটো যোৱাত ছফিকুল ইছলামৰ পৰিয়ালে গুণ্ডাবাহিনীক লগত লৈ গুলীচালনা কৰে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1631

অসম

ডিব্ৰু নদীত অইলৰ পাইপলাইনৰ পৰা তেল নিৰ্গত হোৱাৰ অভিযোগ, আন্দোলনৰ সকীয়নি

NewzNow জিলা ডেস্ক | ১০ নৱেম্বৰ ২০২৬, পুৱা ১০:১৪



ডুমডুমা, ১০ নৱেম্বৰ: তিনিচুকীয়া জিলাৰ ডিব্ৰু নদীৰ ওপৰেৰে যোৱা অইল ইণ্ডিয়া লিমিটেডৰ পাইপলাইনৰ পৰা খাৰুৱা তেল নিৰ্গত হোৱাৰ অভিযোগ উঠিছে। এই ঘটনাই অঞ্চলটোৰ স্পৰ্শকাতৰ জলজ পৰিৱেশতন্ত্ৰৰ সুৰক্ষাক লৈ উদ্বেগ সৃষ্টি কৰিছে।

পাইপলাইনত ফাট মেলাৰ পাছত নদীখনত খাৰুৱা তেল বিয়পি পৰে বুলি অভিযোগ উঠিছে। ইয়াৰ ফলত নদীৰ পানী দূষিত হোৱাৰ লগতে জলজ প্ৰাণী আৰু নদীখনৰ লগতে ওচৰৰ জলাশয়ৰ ওপৰত নিৰ্ভৰশীল শ শ মৎস্যজীৱী পৰিয়াল ক্ষতিগ্ৰস্ত হোৱাৰ আশংকা কৰা হৈছে।

অসম মৰাণ সভাৰ আঞ্চলিক সমিতিয়ে এই ঘটনাৰ বাবে কোম্পানীটোৰ অৱহেলাক দায়ী কৰি ডিব্ৰু নদী আৰু পৰিৱেশগতভাৱে গুৰুত্বপূৰ্ণ মাগুৰী-মটাপুং বিল সুৰক্ষাৰ দ...

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1628

দেশ

অন্ধ্ৰৰ উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণ-আন্না লেজনেভাৰ বিচ্ছেদৰ সিদ্ধান্ত

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, পুৱা ৯:৩৬



বিজয়ৱাড়া, ১০ নৱেম্বৰ: অন্ধ্ৰ প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী তথা তেলুগু চলচ্চিত্ৰৰ অভিনেতা পৱন কল্যাণ আৰু তেওঁৰ পত্নী আন্না লেজনেভাই পৃথক হোৱাৰ সিদ্ধান্ত ঘোষণা কৰিছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1623

উত্তৰ-পূৰ্বাঞ্চল

উত্তৰ-পূবত উন্নয়নমূলক প্ৰকল্পৰ বাবে ৭৯.৫৩ কোটি টকা মুকলি

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, পুৱা ৬:৪৫



শ্বিলং, ৯ নৱেম্বৰ: উত্তৰ-পূব পৰিষদে অক্টোবৰ মাহত উত্তৰ-পূবৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ বাবে ৭৯.৫৩ কোটি টকা মুকলি কৰিছে। সংযোগ, গ্ৰাম্য আন্তঃগাঁথনি, কৃষি, উদ্যোগ বিকাশ, শিক্ষা আৰু সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত এই ধন ব্যয় হ'ব।

আঠখন উত্তৰ-পূব ৰাজ্যৰ ভিতৰত মেঘালয়ে সৰ্বাধিক ২৬.৫৬ কোটি টকা লাভ কৰিছে। ইয়াৰ মূল অংশ মেঘালয়ৰ ৪৬.০৮ কিলোমিটাৰ দৈর্ঘ্যৰ চ'কপট-খাৰুকল পথৰ মেৰামতি আৰু শক্তিশালীকৰণ প্ৰকল্পৰ বাবে দিয়া হৈছে। এই পথটোৱে ৭৮খন গাঁও আৰু ১৫,০০০ৰো অধিক লোকক উপকৃত কৰিব বুলি আশা কৰা হৈছে।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1620

ক্ৰীড়া

আৰ্যবীৰ ছেহৱাগৰ ১৬০ ৰানৰ দৰ্শনীয় ইনিংছ, ইউএইক হৰুৱাই ছেমিফাইনেলত ভাৰত

NewzNow ডেস্ক | ১০ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৩



নতুন দিল্লী, ১০ নৱেম্বৰ: বীৰেন্দ্ৰ ছেহৱাগৰ পুত্ৰ আৰ্যবীৰ ছেহৱাগৰ ১৬০ ৰানৰ দৰ্শনীয় ইনিংছৰ সহায়ত ভাৰতে সংযুক্ত আৰব আমিৰশ্বাহীক ৭০ ৰানত পৰাস্ত কৰি ২০২৬ৰ অনূৰ্ধ্ব-১৯ এছিয়া কাপৰ ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে।

মঙলবাৰে অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ গুৰুত্বপূৰ্ণ মেচখনত প্ৰথমে বেটিং কৰি ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৭টা উইকেট হেৰুৱাই ৩০৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত সংযুক্ত আৰব আমিৰশ্বাহীৰ দলটোৱে ২৩৯ ৰানতে ইনিংছ সামৰে।

ভাৰতৰ অপেনাৰ আৰ্যবীৰে ১৬৮টা বলত ১৬০ ৰানৰ দৰ্শনীয় ইনিংছ খেলে। তেওঁৰ ইনিংছত ১৭টা চাৰি আৰু ৭টা ছয় আছিল।

বাকী অংশ ৱেবছাইটত
সম্পূৰ্ণ খবৰ:
https://newznow.in/news/1844

এই সংখ্যাত

১ আগন্তুক অসম বিধানসভা নিৰ্বাচনত মিছন ১২৬ৰ লক্ষ্য মুখ্যমন্ত্ৰীৰ!
১ জুলাই-ছেপ্টেম্বৰত ভাৰতৰ নিবনুৱা হাৰ ৫.১%লৈ হ্ৰাস, গ্ৰামাঞ্চলত অধিক উন্নতি: মোদী চৰকাৰৰ দাবী
১ বাংলাদেশলৈ উভতিলেই মৃত্যুদণ্ড কাৰ্যকৰী হ'ব শ্বেখ হাছিনাৰ! দাবী চৰকাৰী অধিবক্তাৰ
১ ''দিমাগী নক্সাল''ক নিৰ্মূল কৰাই পৰৱৰ্তী লক্ষ্য: কিৰেণ ৰিজিজু
১ 'ৰাষ্ট্ৰবিৰোধী' কোন ? - প্ৰধানমন্ত্ৰী মোদীক মুকলি বিতৰ্কৰ প্ৰত্যাহ্বান ৰাহুল গান্ধীৰ
২ দীপাৱলীত অসমত ১১২টা অগ্নিকাণ্ড, কামৰূপ মহানগৰত ২২টা

আৰু ৪০টা খবৰ ভিতৰৰ পাততে

NewzNow ই-কাকত: প্ৰতিদিনে সন্ধিয়া newznow.in/epaper-ত। প্ৰতিটো খবৰৰ সম্পূৰ্ণ বিৱৰণ, ভিডিঅ' আৰু আপডেট newznow.in-ত পঢ়ক।
খবৰ শুনক: newznow.in/listen